জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭/২০২৩**

# ফাকুৱা উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছা

**দিছপুৰ, ০৬ মাৰ্চ ঃ** ৰঙৰ উৎসৱ ফাকুৱা তথা দৌল যাত্ৰা উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণলৈ আন্তৰিক ওলগ আৰু শুভেচ্ছা জনাইছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় আধ্যাত্মিক জীৱনধাৰাত উৎসৱ-পাৰ্বণসমূহে সমাজ ব্যৱস্থাক সুশৃংখলিতভাৱে আগুৱাই নিয়াৰ দিশত এক চালিকা শক্তিৰ ৰূপত অৱতীৰ্ণ হৈ আহিছে। প্ৰাচীন কালত ভাৰতবৰ্ষত উদ্‌যাপন কৰা মদনোৎসৱে ফাগুনৰ প্ৰকৃতিৰ ৰূপৰ সৈতে মানৱীয় জীৱনধাৰাক একাত্ম কৰি তুলিছিল। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দৌলোৎসৱৰ আয়োজন কৰি কৃষ্ণ ভক্তিৰ প্ৰৱাহ বোঁৱাই দিয়াৰ লগতে আধ্যাত্মিক সংস্কৃতিৰ দিশত নৱোন্মেষৰ সূচনা কৰে। ভাৰতীয় সনাতন সংস্কৃতিত ফাকুৱাৰ এক বিশেষ মহত্ব আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই উৎসৱ পালনৰ জৰিয়তে আমাৰ বৰ্ণিল সাংস্কৃতিক তথা আধ্যাত্মিক জীৱনশৈলী অধিক সমৃদ্ধ হৈ পৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই উৎসৱ পালনৰ জৰিয়তে সমাজত সমন্বয় আৰু ভাতৃত্ববোধৰ এনাজৰী অধিক শক্তিশালী হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে আশাপ্ৰকাশ কৰে যে ৰঙৰ উৎসৱ ফাকুৱা পালনে সকলোকে একতা, শান্তি আৰু সহাৱস্থানৰ জৰিয়তে আগুৱাই যাবলৈ উদ্‌গণি যোগাব।

**পুঃডেঃ**
**০৬/৩/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in